**NSD NEWS BULLETIN**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-08-2026
**Time :** 13-40 Hrs.

***Assamese MIDDAY Bulletin***
***::::::::::::::::::::::::::::::***

১। ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালে আজি চীনৰ উপ-ৰাষ্ট্ৰপতি হাম ঝেঙক সাক্ষাৎ কৰে।

২। ইউ পি আইৰ ১০ বছৰীয়া সেৱা সম্পূৰ্ণ হোৱা উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শুভেচ্ছা জ্ঞাপন কৰিছে।

৩। ভাৰতৰ যোগাযোগ ব্যৱস্থা বিশ্বাসযোগ্য, নিৰাপদ আৰু বহনক্ষম কৰি তুলি লাগিব বুলি কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই প্ৰকাশ কৰিছে।

৪। বিগত কেইবছৰমানৰ পৰা বিমানযোগে সামগ্ৰীৰ পৰিবহণৰ পৰিমাণ ৪০ শতাংশ বৃদ্ধি হৈছে বুলি মন্ত্ৰী কে ৰামমোহন নাইডুৱে প্ৰকাশ কৰিছে। *আৰু*

**৫।** ভাৰত আৰু শ্ৰীলংকাৰ মাজত কলম্বোত চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল অনুষ্ঠিত হৈছে।

০০০০

ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা তথা ভাৰত-চীন সীমান্ত আলোচনাত বিশেষ প্ৰতিনিধি অজিত দোভালে আজি চীনৰ উপৰাষ্ট্ৰপতি হাম ঝেঙক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত বেইজিঙত থকা ভাৰতীয় দূতাবাসে প্ৰকাশ কৰিছে যে আজি হ'বলগীয়া ২৫ সংখ্যক ৰাউণ্ডৰ বিশেষ প্ৰতিনিধি পৰ্যায়ৰ আলোচনাৰ পূৰ্বে শ্ৰীদোভাল আৰু শ্ৰীঝেঙে সীমান্ত অঞ্চলত শান্তি বৰ্তাই ৰখাকে ধৰি স্থিতাৱস্থা বাহাল ৰখা সন্দৰ্ভত আলোচনা কৰে। তেওঁলোকে দুয়োখন দেশৰ মাজত অৰ্থনৈতিক, ৰাজনৈতিক আৰু বহুপক্ষীয় সম্বন্ধ উন্নত কৰা সন্দৰ্ভতো আলোচনা কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইউ পি আই সেৱাৰ দশকজোৰা সাফল্যত আনন্দ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ইউ পি আইক ভাৰতৰ ডিজিটেল লেনদেনৰ যাত্ৰাৰ টাৰ্নিং পইণ্ট হিচাপে উল্লেখ কৰে। দেশবাসীক ইউ পি আইৰ অভিজ্ঞতাৰ কথা বিনিময় কৰিবলৈ আহ্বান জনাই প্ৰধানমন্ত্ৰীয়ে কয় যে ইউ পি আইক লৈ এতিয়া সকলো ভাৰতীয়ই গৌৰৱ কৰে।

০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে ইউ পি আই ১০ বছৰীয়া সেৱা সম্পূৰ্ণ হোৱা উপলক্ষে দেশবাসীক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে ইউ পি আইক দেশৰ উদ্ভাৱনৰ জৰিয়তে ৰূপান্তৰৰ যাত্ৰাৰ প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগীৰ সফল উদাহৰণ হিচাপে বৰ্ণনা কৰে। ইউ পি আইক বিশ্বৰ সৰ্ববৃহৎ তাৎক্ষণিক লেনদেন ব্যৱস্থা বুলি উল্লেখ কৰি তেওঁ জনসাধাৰণক সুৰক্ষিত লেনদেনত সৰলীকৰণ কৰি তোলা ডিজিটেল ভাৰতক কৃতীত্ব দিয়ে।

০০০০

ভাৰতত ২০১৬ চনৰ আজিৰ দিনটোতে ইউনাইটেড পেমেণ্টছ ইণ্টাৰফেচ, ইউ পি আই সেৱা মুকলি কৰা হৈছিল। ভাৰতৰ ডিজিটেল ৰাজহুৱা আন্তঃগাথনিৰ অন্যতম আটাইতকৈ সফল স্তম্ভ হিচাপে বিবেচিত ইউ পি আই তাৎক্ষণিক লেনদেনৰ উপায় হিচাপে ব্যৱহাৰ হৈ আহিছে। বিত্ত মন্ত্ৰালয়ৰ মতে ২০২৫-২৬ বৰ্ষত ইউ পি আইৰ জৰিয়তে ২৪ হাজাৰ ১৬২ কোটি লেনদেন হৈছে। আনহাতে, ২০১৬-১৭ চনত ১ কোটি ৭৮ লাখ লেনদেন হৈছিল। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি বিত্তীয় সেৱা হিচাপে ইউ পি আইয়ে ব্যক্তিক সৰলীকৰণত সহায় কৰিছে।

০০০০

ভাৰতৰ যোগাযোগ ব্যৱস্থা কেৱল জনসাধাৰণক সংযোগ সাধনতে সীমাবদ্ধ নহয়, বৰং এই নেটৱৰ্ক বিশ্বাসযোগ্য, নিৰাপদ আৰু বহনক্ষম কৰি তুলি লাগিব বুলি কেন্দ্ৰীয় যোগাযোগ দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি চেণ্টাৰ ফৰ ডেভেলপমেণ্ট অৱ টেলিমেটিক্স অৰ্থা চি-ডটৰ ৪৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে দিয়া ভাষণত দেশৰ টেলিকম খণ্ডৰ ৰূপান্তৰ সাধনত চি-ডটৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে উল্লেখ কৰে। ১৯৮৪ চনত প্ৰতিষ্ঠা লাভ কৰা পাছৰে পৰা চি-ডটৰ উন্নয়ন সাধনৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এই কেন্দ্ৰটোৱে থলুৱা প্ৰযুক্তি বিকশাই তুলি উদ্ভাৱনৰ অনুঘটক হিচাপে পৰিগণিত হৈছে। এই প্ৰতিষ্ঠানটোৱে নাগৰিকসকলৰ জীৱনক গভীৰভাৱে প্ৰভাৱান্বিত কৰাৰ লগতে ভাৰতৰ প্ৰযুক্তি যাত্ৰাৰ অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত হৈছে বুলি তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে কৃত্ৰিম বুদ্ধিমত্তা, চাইবাৰ সুৰক্ষা আৰু দুৰ্যোগ প্ৰতিৰোধী যোগাযোগ নেটৱৰ্ক স্থাপনত চি-ডটৰ সম্ভাৱনীমূলক কৌশলৰ বিষয়ে উল্লেখ কৰে। শ্ৰীসিন্দিয়াই কয়, যে ভাৰতে ছিক্স-জি, কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম যোগাযোগ আৰু চাইবাৰ সুৰক্ষা বিষয়ত নতুন টেলিকম প্ৰযুক্তি বিকশাই তুলিছে আৰু বিশ্বক নেতৃত্ব দিবলৈ সমৰ্থ হৈছে। **বাইট (সিন্দিয়া)**

০০০০

প্ৰতিৰক্ষা উৎপাদন বিভাগৰ সচিব সঞ্জীৱ কুমাৰে আজি কয়, যে দেশৰ প্ৰতিৰক্ষা উৎপাদন খণ্ডই ঐতিহাসিক ৰূপান্তৰৰ মাজেদি গতি কৰিছে। তেওঁ কয়, যে ২০১৩-১৪ বিত্তীয় বৰ্ষৰ ৪৩ হাজাৰ কোটি টকাৰ বিপৰীতে ২০২৫-২৬ বিত্তীয় বৰ্ষত ঘৰুৱা প্ৰতিৰক্ষা উৎপাদনৰ পৰিমাণ অভিলেখ সংখ্যক ১ লাখ ৭৮ হাজাৰ কোটি টকা হৈছে। নতুন দিল্লীত অনুষ্ঠিত মহাকাশ আৰু প্ৰতিৰক্ষা উৎপাদন সম্বন্ধীয় ৰাষ্ট্ৰীয় সমাৰোহত অংশগ্ৰহণ কৰি শ্ৰীকুমাৰে এইদৰে কয়। তেওঁ লগতে উদ্যমী আৰু উদ্যোগপতিসকলক গৱেষণা আৰু উন্নয়নত বিনিয়োগ কৰিবলৈ আহ্বান জনায়।

০০০০

বিগত কেইবছৰমানৰ পৰা বিমানযোগে সামগ্ৰী পৰিবহণ লক্ষ্যনীয়ভাৱে বৃদ্ধি পাইছে আৰু এই বৃদ্ধিৰ পৰা পৰিমাণ ৪০ শতাংশ বুলি অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কে ৰামমোহন নাইডুৱে প্ৰকাশ কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীনাইডুৱে কয়, যে চৰকাৰে সমগ্ৰ দেশতে বিশ্বমানৰ বিমান পৰিবহণ কেন্দ্ৰ আৰু সা-সুবিধাৰ সৃষ্টি কৰিবলৈ বিচাৰে। দেশত বয়-বস্তু পৰিবহণৰ সেৱা সম্প্ৰসাৰণৰ ওপৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৰুত্ব আৰোপ কৰিছে বুলিও তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে ফেড এক্স আৰু জি এম আৰ বিমানবন্দৰে দিল্লী বিমানবন্দৰত উৎসৰ্গিত পৰিবহণ সেৱা কেন্দ্ৰ স্থাপনৰ বাবে অংশীদাৰ হৈ কাম কৰিছে।

**বাইট (ৰাম মোহন নাইডু)**

০০০০

ৰাষ্ট্ৰীয় তদন্ত সংস্থা, এন আই এ গুজৰাটৰ চাইবাৰ সন্ত্ৰাসৰ এটা গোচৰত ৫ খন ৰাজ্যৰ ৫ টা স্থানত তালাচী চলায়। তদন্ত সংস্থাটোৱে মহাৰাষ্ট্ৰ, গুজৰাট, তেলেংগানা, বিহাৰ আৰু দিল্লীত কালি তালাচী অভিযান চলায়। গুজৰাটত যোৱা বছৰ গোচৰটো ৰুজু কৰা হৈছে। অভিযুক্তই কেন্দ্ৰীয় চৰকাৰৰ ৫৪ টা ৱেবছাইটত আক্ৰমণ চলাইছিল। অপাৰেছন সিন্দূৰৰ সময়ত এই আক্ৰমণৰ জৰিয়তে চাইবাৰ অপৰাধীয়ে জটিল কম্পিউটাৰ উৎস আৰু জটিল তথ্য আন্তঃগাথনিক লক্ষ্য কৰি লৈছিল। এই আক্ৰমণে ৰাষ্ট্ৰীয় সুৰক্ষা আৰু সংহতিৰ লগতে সাৰ্বভৌমত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছিল। তালাচীৰ সময়ত হেকিঙৰ বাবে প্ৰয়োজনীয় বিভিন্ন ডিজিটেল সা-সজুলি আৰু নথিপত্ৰ জব্দ কৰা হয়।

০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰীয় শিক্ষক দিৱস উপলক্ষে অহা ৫ ছেপ্তেম্বৰত নতুন দিল্লীত উচ্চ শিক্ষা প্ৰতিষ্ঠান আৰু পলিটেকনিকৰ ২১ জন শিক্ষক তথা অধ্যাপকক ৰাষ্ট্ৰীয় শিক্ষক বঁটাৰে সন্মানিত কৰিব। কেন্দ্ৰীয় উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ ১২ জন শিক্ষক, ৩ খন চৰকাৰী আৰু ২ খন ব্যক্তিগত মহাবিদ্যালয়কে ধৰি ৰাজ্যিক বিশ্ববিদ্যালয়সমূহৰ পৰা ৫ গৰাকী আৰু পলিটেকনিকৰ ৪ জন শিক্ষকে এই বঁটা লাভ কৰিব। শিক্ষা খণ্ডলৈ আগবঢ়োৱা অসামান্য সেৱাৰ বাবে এই বঁটা আগবঢ়োৱা হয়। ৰাষ্ট্ৰীয় শিক্ষক বঁটা ২০২৬ ৰ মনোনয়নৰ বাবে ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৰ্টেলৰ জৰিয়তে অনলাইনযোগে আবেদনৰ আহ্বান কৰা হৈছিল। দুই তৰপীয়া প্ৰক্ৰিয়াৰ জৰিয়তে এই বঁটাৰ বাবে বিচাৰকসকলে বঁটাপ্ৰাপকসকলৰ নাম ঘোষণা কৰে।

০০০০

বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ৮ দিনীয়া  চৰকাৰী ভ্ৰমণসূচীৰে কাইলৈৰ পৰা ভিয়েটনাম, লাওচ আৰু পালা ভ্ৰমণ কৰিব। শ্ৰীমাৰ্ঘেৰিটাই ভ্ৰমণৰ প্ৰথম সূচীত ভিয়েটনাম ভ্ৰমণ কৰিব আৰু ভিয়েটনাম চৰকাৰৰ জ্যেষ্ঠ নেতৃত্বৰৃন্দৰ সৈতে বৈঠকত ভাগ লব। তেওঁ দেশখনত থকা ভাৰতীয় সম্প্ৰদায় আৰু মূল অংশীদাৰসকলৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত তেওঁ লাওচলৈ যাব, ভাৰত আৰু লাওচৰ কূটনৈতিক সম্পৰ্ক স্থাপন হোৱাৰ ৭০ বছৰ উপলক্ষে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰা আৰু উন্নয়নমূলক অংশীদাৰিত্ব শক্তিশালী কৰাত মত বিনিময় কৰিব। তাত থকা প্ৰৱাসী ভাৰতীয় সম্প্ৰদায়ৰ সৈতেও  তেওঁ মত বিনিময় কৰিব। ইয়াৰ পাছত তেওঁ পালাও ভ্ৰমণ কৰিব আৰু প্ৰশান্ত মহাসাগৰীয় দ্বীপপুঞ্জ ফৰামৰ নেতৃত্বত ভাগ লব। পালাও নেতৃবৃন্দৰ সৈতেও তেওঁ দ্বিপাক্ষিক বৈঠকত ভাগ লব। ২ চেপ্তেম্বৰত  তেওঁ ৩ খনীয়া ৰাষ্ট্ৰভ্ৰমণৰ সামৰণি পৰিব।

০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজত কলম্বোত অনুষ্ঠিত চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেলত আজি ঘৰুৱা দল শ্ৰীলংকাই কালি দুটা উইকেট হেৰুৱাই সংগ্ৰহ কৰা ৮ ৰাণৰ পৰা আজি তৃতীয় দিনাৰ খেল আৰম্ভ কৰে। দলটোৱে বাতৰি লিখাৰ পৰলৈকে প্ৰথম ইনিংছত পাঁচটা উইকেট হেৰুৱাই ১৪৭ ৰান সংগ্ৰহ কৰিছে। ইয়াৰ আগেয়ে বৰষুণৰ বাবে খেল কিছুসময়ৰ বাবে ব্যাহত হয়।

কালি দ্বিতীয় দিনা আলহী দল ভাৰতে ৯ উইকেট হেৰুৱাই ৫০৩ ৰাণ কৰি প্ৰথম ইনিংছ সমাপ্তি ঘোষণা কৰিছিল। পৰহি সংগ্ৰহ কৰা ৩০০ ৰাণৰ পৰা আৰম্ভ কৰি ভাৰতে কালি ধ্ৰুৱ জুৰেলৰ ১১৫ ৰাণৰ সহায়ত ৫০৩ ৰাণ সংগ্ৰহ কৰে। শ্ৰীলংকাৰ হৈ আছিথা ফাৰ্ণাণ্ডোজে সৰ্বাধিক চাৰিটা উইকেট দখল কৰে।

ভাৰতে প্ৰথমখন টেষ্টত ১৬৫ ৰানত বিজয় সাব্যস্ত কৰি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে।

০০০০

সমাপ্ত